**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-12-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। বিভিন্ন বিষয় লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সংসদৰ উভয় সদন আজি বিয়লি দুই বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

২। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সংসদৰ কাৰ্যসূচীত বিৰোধী দলৰ নেতাসকলে ব্যাঘাত জন্মোৱা কাৰ্যক কঠোৰ ভাষাৰে সমালোচনা কৰে।

৩। পি টি আই দলে পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰাণ খানৰ অৱস্থাৰ বিষয়টো ৰাজহুৱা কৰাৰ দাবীৰে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ বিষয়ে ঘোষণা কৰিছে।

৪। গ্ৰাম্য অৰ্থনীতিক সবল কৰি তোলাৰ উদ্দেশ্যে সমবায় খণ্ডত চৰকাৰে কেইবাটাও যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰিছে। ***আৰু***

৫। জ্যেষ্ঠ বিজেপি নেতা ড০ প্ৰেম কুমাৰক অষ্টাদশ বিহাৰ বিধানসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত কৰা হৈছে।

০০০০০০০০০

ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনীকে ধৰি বিভিন্ন বিষয়ক লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সংসদৰ উভয় সদন আজি বিয়লি দুই বজালৈ স্থগিত ৰাখিবলগীয়া হয়। প্ৰথমবাৰৰ বাবে সদন স্থগিত ৰখাৰ পাছত লোকসভাত দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ লগে লগে বিৰোধী পক্ষৰ সদস্যসকলে সদনৰ মজিয়ালৈ উঠি আহি তেওঁলোকৰ দাবীৰ সমৰ্থনত ধৰ্না দিবলৈ আৰম্ভ কৰে। সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেন ৰিজিজুৱে সদনত যিকোনো বিষয়ক লৈ আলোচনা কৰাৰ বাবে চৰকাৰ প্ৰস্তুত বুলি উল্লেখ কৰি লোকসভাৰ কামকাজ বিঘ্নিত নকৰিবলৈ বিৰোধী পক্ষৰ সাংসদসকলক অনুৰোধ জনায়। তৎসত্বেও বিৰোধী পক্ষৰ সদস্যসকলে প্ৰতিবাদী কাৰ্যসূচী অব্যাহত ৰখাত নিম্ন সদন দুই বজালৈ স্থগিত ৰখাৰ বিষয়ে ঘোষণা কৰা হয়।

একেদৰে ৰাজ্যসভাতো বিৰোধী পক্ষৰ সাংসদসকলে একেটা বিষয়ক লৈ হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰাত সদন বিয়লি দুই বজালৈ স্থগিত ৰাখিবলগীয়া হয়। দিনৰ ১১ বজাত ৰাজ্যসভাৰ কামকাজ আৰম্ভ হোৱাৰ সময়ত সভাপতি চি পি ৰাধাকৃষ্ণনে জৰ্জিয়াৰ সংসদীয় প্ৰতিনিধি দলটোক ভাৰতলৈ আদৰণি জনায়। তেওঁলোকৰ এই ভ্ৰমণে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কক শক্তিশালী কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ইয়াৰ পাছত সদনৰ শূন্য কালত বিৰোধী পক্ষৰ সাংসদসকলে ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনীকে ধৰি বিভিন্ন বিষয়ক লৈ হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে।

সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেন ৰিজিজুৱে আলোচনাৰ জৰিয়তে সহমতত উপনীত হৈ সংসদৰ কামকাজ সুচাৰুৰূপে সম্পন্ন কৰাত সহায় কৰিবলৈ বিৰোধী পক্ষৰ সাংসদসকলক অনুৰোধ জনায়। তেনে পৰিস্থিতিত ৰাজ্যসভাৰ বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গেই ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনীৰ বিষয়টোক

গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰি ইয়াক লৈ জৰুজীভাৱে আলোচনা কৰাটো প্ৰয়োজনীয় বুলি মত প্ৰকাশ কৰে। ইয়াৰ মাজতে বিৰোধী পক্ষৰ সদস্যসকলে প্ৰতিবাদ অব্যাহত ৰখাত উচ্চ সদন দুই বজালৈ স্থগিত ৰখাৰ বিষয়ে ঘোষণা কৰা হয়।

০০০০০০০০০

সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনী বিষয়টোক লৈ সংসদৰ কাৰ্যসূচীত বিৰোধী দলৰ নেতাসকলে ব্যাঘাত জন্মোৱা কাৰ্যক কঠোৰ ভাষাৰে সমালোচনা কৰে। সংসদৰ বাহিৰত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয়, যে বিৰোধী নেতাসকলে এই বিষয়টোক লৈ সংসদৰ কাম-কাজত ব্যাঘাত জন্মোৱাৰ প্ৰয়োজন নাই। তেওঁ লগতে কয়, যে বিৰোধী পক্ষই অনা বহু বিষয় সন্দৰ্ভত চৰকাৰে সংসদত বিতৰ্ক অনুষ্ঠিত কৰিব।

ইপিনে, আজি সংসদৰ শীতকালীন অধিৱেশনৰ দ্বিতীয় দিনা  সংসদৰ বাহিৰত ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী, ছোনিয়া গান্ধী আদিকে ধৰি বিৰোধী দলৰ নেতাসকলে ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনী প্ৰত্যাহাৰ কৰাৰ দাবীৰে প্ৰতিবাদ সাব্যস্ত কৰে।

০০০০০০০০০

পাকিস্তান টেহৰিক-ই-ইনছাফ, চমুকৈ পি টি আই নামৰ ৰাজনৈতিক দলটোৱে পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰাণ খানৰ অৱস্থাৰ বিষয়টো ৰাজহুৱা কৰাৰ দাবীৰে ইছলামাবাদ উচ্চ ন্যায়ালয় আৰু ৰাৱালপিণ্ডিৰ আদিয়ালা কাৰাগাৰৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ বিষয়ে ঘোষণা কৰিছে। নেতাগৰাকী সম্প্ৰতি ক'ত আৰু কি অৱস্থাত আছে, সেই বিষয়ে দলৰ নেতাসকলৰ লগতে তেওঁৰ পৰিয়ালৰ লোকেও কোনো কথা জানিব নোৱৰাৰ পৰিপ্ৰেক্ষিতত দলটোৱে এই কাৰ্যসূচী গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে, দেশখনৰ চৰকাৰে ৰাজহুৱা স্থানত সমাৱেশ নিষিদ্ধ কৰাৰ লগতে নেতাগৰাকীক সাক্ষাতৰ অনুমতি দিবলৈ অস্বীকাৰ কৰাৰ ফলত তেওঁৰ শাৰীৰিক অৱস্থাক লৈ বিভিন্ন মহলত উদ্বেগ বৃদ্ধি পাইছে। ইমৰাণ খানৰ স্বাস্থ্যক লৈ বিভিন্ন উৰা বাতৰি প্ৰচাৰ হোৱাৰ লগতে তেওঁৰ মৃত্যু হোৱা বুলিও বাতৰি প্ৰচাৰ হোৱাক লৈ দেখা দিয়া উদ্বেগৰ মাজতে প্ৰশাসনে ইছলামাবাদ আৰু ৰাৱালপিণ্ডিত ১৪৪ ধাৰা জাৰি কৰিছে।

পি টি আইৰ নেতা আছাদ কাছিৰে জানিবলৈ দিয়া মতে সংসদৰ উভয় সদনৰ বিৰোধী সদস্যসকলে আদিয়ালা কাৰাগাৰলৈ যোৱাৰ পূৰ্বে ইছলামাবাদ উচ্চ ন্যায়ালয়ৰ সন্মুখত অৱস্থান গ্ৰহণ কৰিব। তেওঁ লগতে কয়, যে উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ কাৰ্যকৰী নোহোৱা আৰু কাৰাগাৰ প্ৰশাসনে এই ক্ষেত্ৰত সহযোগিতা নকৰাৰ পৰিপ্ৰেক্ষিতত এনে প্ৰতিবাদী কাৰ্যসূচী অপৰিহাৰ্য হৈ পৰিছে।

একেদৰে পাকিস্তানৰ মানৱাধিকাৰ আয়োগেও পাকিস্তান টেহৰিক-ই-ইনছাফ দলটোৰ মুৰব্বী ইমৰাণ খানৰ স্বাস্থ্যৰ অৱস্থাক লৈ হোৱা চৰ্চাৰ বিষয়টোত উদ্বেগ প্ৰকাশ কৰিছে। এই সন্দৰ্ভত শীঘ্ৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আয়োগে দেশখনৰ চৰকাৰক আহ্বান জনাইছে।

উল্লেখযোগ্য যে, যোৱা সপ্তাহত খাইবাৰ পাখটুনখোৱাৰ মুখ্যমন্ত্ৰীয়ে আদিৱালা কাৰাগাৰৰ সন্মুখত অৱস্থান ধৰ্মঘট পালন কৰা সময়ৰে পৰা বিষয়টোক লৈ সংঘাত বৃদ্ধি পায়। কাৰাগাৰ কৰ্তৃপক্ষই তেওঁক ইমৰাণ খানক সাক্ষাৎ কৰাৰ অনুমতি দিবলৈ অষ্টমবাৰৰ বাবে অস্বীকাৰ কৰাৰ প্ৰতিবাদত মুখ্যমন্ত্ৰীগৰাকীয়ে এই কাৰ্যসূচী গ্ৰহণ কৰিছিল।

একেদৰে প্ৰাক্তন প্ৰধানমন্ত্ৰী খানৰ পৰিয়াৰ লোককো একেৰাহে কেইবাবাৰো তেওঁৰ সাক্ষাতৰ পৰা বিৰত কৰাৰ পৰিপ্ৰেক্ষিতত নেতাগৰাকীৰ স্বাস্থ্যক লৈ উদ্বিগ্নতা বৃদ্ধি পায়। ইয়াৰ বিপৰীতে আদিয়ালা কাৰাগাৰৰ বিষয়াসকলে ইমৰাণ খানক লৈ প্ৰচাৰিত সকলো ধৰণৰ উৰা বাতৰিৰ সত্যতা অস্বীকাৰ কৰিছে। নেতাগৰাকীক কাৰাগাৰৰ পৰা স্থানান্তৰ কৰা হোৱা নাই বুলি উল্লেখ কৰি তেওঁলোকে লগতে ইয়াকো কয়, যে তেওঁ সম্প্ৰতি সুস্থ অৱস্থাত আছে আৰু চিকিৎসকৰ পৰামৰ্শও লাভ কৰি আছে। কাৰাগাৰ কৰ্তৃপক্ষই ইমৰাণ খানৰ স্বাস্থ্য সম্পৰ্কীয় উৰা বাতৰিসমূহক ভিত্তিহীন বুলি আখ্যা দিয়ে।

উল্লেখযোগ্য যে, প্ৰাক্তন ক্ৰিকেটাৰ তথা পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰাণ খান ২০২৩ বৰ্ষৰ আগষ্টৰ পৰাই কাৰাবন্দী হৈ আছে। ২০২২ বৰ্ষত অনাস্থা ভোটৰ জৰিয়তে পদচ্যুত হোৱাৰ পাছত তেওঁৰ বিৰুদ্ধে দুৰ্নীতি আৰু সন্ত্ৰাসবাদ সম্পৰ্কীয় কেইবাটাও গোচৰ ৰুজু কৰা হয়। তেওঁ নেতৃত্ব প্ৰদান কৰা ৰাজনৈতিক দল পি টি আয়ে খানৰ স্বাস্থ্যৰ বিষয়টো স্পষ্ট কৰাৰ লগতে পৰিয়ালৰ লোকৰ সৈতে তেওঁৰ সাক্ষাতৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে।

ooooooooo

গ্ৰাম্য অৰ্থনীতিক সবল কৰি তোলাৰ উদ্দেশ্যে সমবায় খণ্ডত চৰকাৰে বিগত চাৰি বছৰত কেইবাটাও যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰিছে। লোকসভাত আজি প্ৰশ্নোত্তৰ কালত এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় সমবায় ৰাজ্য মন্ত্ৰী মুৰলীধৰ মহলে কয়, যে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে সমবায় সমিতিসমূহক শক্তিশালী কৰাৰ উদ্দেশ্যে সমবায় মন্ত্ৰালয় প্ৰতিষ্ঠা কৰিছে। তেওঁ কয়, যে সমগ্ৰ দেশত মুঠ ৮ লাখ সমবায় সমিতি আছে আৰু কমেও ৩০ কোটি লোক ইয়াৰ সদস্য হিচাপে সমিতিসমূহৰ সৈতে পোনপটীয়াভাৱে সংযুক্ত হৈ আছে। মন্ত্ৰী শ্ৰী মহলে কয়, যে দেশৰ ৫০ শতাংশ জনসংখ্যা সমবায় খণ্ডৰ সৈতে সংযুক্ত হৈ আছে।

ooooooooo

এখন উন্নত ভাৰত গঢ়িবৰ বাবে দেশৰ সকলো ৰাজ্যৰ সকলো খণ্ডতে উন্নয়ন আৰু প্ৰগতি নিশ্চিত হ'ব লাগিব বুলি কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ উৎপাদন মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে প্ৰকাশ কৰে। লোকসভাত আজি এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী মৎস্য সম্পাদা যোজনাৰ অধীনত মীন খণ্ডত বৈপ্লৱিক পৰিৱৰ্তন সাধন হৈছে। কিন্তু পশ্চিমবংগ চৰকাৰে কেন্দ্ৰই যোগান ধৰা এই আঁচনিৰ অধীনৰ ধন মীন খণ্ডত খৰচ নকৰাটো অত্যন্ত দুৰ্ভাগ্যজনক বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এই আঁচনিৰ অধীনত প্ৰস্তাৱিত ২২১ কোটি টকাৰ ১১৪ কোটি টকা ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে মুকলি কৰি দিছে যদিও পশ্চিমবংগ চৰকাৰে মাত্ৰ ৫৮ কোটি ধনহে এই খণ্ডৰ উন্নয়নত খৰচ কৰিছে। মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে লগতে কয়, যে যিকোনো এখন আঁচনিৰ সফলতাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰসমূহৰ সহযোগিতা অতি গুৰুত্বপূৰ্ণ।

ooooooooo

জ্যেষ্ঠ বিজেপি নেতা ডং প্ৰেম কুমাৰক অষ্টাদশ বিহাৰ বিধানসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত কৰা হৈছে। বিহাৰ বিধানসভাৰ অধিৱেশনৰ আজিৰ দ্বিতীয় দিনটোত প্ৰ'টেম অধ্যক্ষ নৰেন্দ্ৰ নাৰায়ণ য়াদৱে অধ্যক্ষৰ পদত তেওঁ সৰ্বসন্মতভাৱে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰে। ইয়াৰ পূৰ্বে সদন আৰম্ভ হোৱাৰ আগতে ডং কুমাৰে অধ্যক্ষ পদৰ বাবে মনোনয়নপত্ৰ দাখিল কৰিছিল। এই পদৰ বাবে বিৰোধী পক্ষৰ কোনো প্ৰাৰ্থীয়ে মনোনয়ন দাখিল নকৰাৰ পৰিপ্ৰেক্ষিতত তেওঁ বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। উল্লেখযোগ্য যে, ড০ প্ৰেম কুমাৰ বিহাৰৰ গয়া নগৰ

বিধানসভা সমষ্টিৰ পৰা এইবাৰকে ধৰি নৱমবাৰৰ বাবে নিৰ্বাচিত হৈছে। ইয়াৰ পূৰ্বে ৰাজ্যখনৰ একাধিক চৰকাৰত তেওঁ ভিন ভিন বিভাগৰ মন্ত্ৰী হিচাপে দায়িত্ব নিৰ্বাহ কৰিছিল।

oooooooooo

সংযুক্ত আৰৱ-আমিৰি ৰাষ্ট্ৰ-UAEৰ উপ-প্ৰধানমন্ত্ৰী তথা বৈদেশিক পৰিক্ৰমা মন্ত্ৰী আব্দুল্লা-বিন-জায়েদ-আল্-নাহায়েনক দেশখনৰ ৰাষ্ট্ৰীয় দিৱস উপলক্ষে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতে -UAEৰ সৈতে কৌশলগত অংশীদাৰিত্ব, ব্যৱসায়িক, সাংস্কৃতিক আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

oooooooooo

অৰ্থনীতিৰ ক্ৰমবৰ্ধিত ডিজিটেলাইজেচন আৰু নতুন বিত্তীয় সামগ্ৰীৰ উত্থানৰ লগে লগে বিশ্বজুৰি দেশসমূহে সময়মতে তথ্য বিনিময়ৰ ক্ষেত্ৰত সহযোগিতা কৰিব লাগিব আৰু একেই সময়তে কৰ ব্যৱস্থাত স্বচ্ছতা আৰু জনসাধাৰণৰ আস্থা অটুট ৰাখিব লাগিব। নতুন দিল্লীত অনুষ্ঠিত ১৮ সংখ্যক গোলকীয় পূৰ্ণাংগ বৈঠকৰ মঞ্চত ভাষণ দি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কয়, যে কৰ ব্যৱস্থাত স্বচ্ছতাৰ বিষয়টো ভাৰতৰ প্ৰশাসনিক সংস্কাৰৰ ঊৰ্ধত প্ৰতিফলিত হৈছে।

oooooooooo

মুম্বাইৰ শিৱাজী মহাৰাজ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত আজি পুৱা কুৱেইটৰ পৰা হায়দৰাবাদ অভিমুখী ইন্দিগোৰ এখন বিমান জৰুৰীকালীনভাৱে অৱতৰণ কৰোৱা হয়। কৰ্তৃপক্ষই জনোৱা মতে বিমানখনত মানৱ বোমা থকা বুলি এখন ই-মেইল লাভ কৰাৰ পাছতে এই সিদ্ধান্ত লোৱা হয়। বিমানখন নিৰাপদে অৱতৰণ কৰোৱা হয় আৰু পাছত সুৰক্ষা পৰীক্ষা কৰা হয়। বিমান বন্দৰ আৰু বিমান সংস্থাৰ কৰ্তৃপক্ষই বিমানখনত বোমা থকা বুলি লাভ কৰা তথ্যৰ পৰিপ্ৰেক্ষিতত আইন প্ৰৱৰ্তনকাৰী সংস্থাসমূহৰ সৈতে যোগাযোগ কৰাৰ লগতে বিমানখনৰ যাত্ৰীসকল নিৰাপদে থকা বুলি প্ৰকাশ কৰে। ইয়াৰ পূৰ্বেও ১২ নৱেম্বৰত ইন্দিগোৰ বিমানত বোমা থকা বুলি ই-মেইল লাভ কৰা হৈছিল, যাৰবাবে দিল্লীৰ ইন্দিৰাগান্ধী বিমান বন্দৰত উচ্চ সতৰ্কতা জাৰি কৰা হৈছিল।

oooooooooo

সমাপ্ত